# অসমৰ বিজ্ঞান জগতৰ বাটকটীয়া ৰোহিণীকান্ত বৰুৱা

- ৰিপুঞ্জয় বৰদলৈ সহকাৰী শিক্ষক (অংক), চেঙামাৰী উচ্চ মাধ্যমিক বিদ্যালয়

ৰোহিণীকান্ত বৰুৱা… আজিৰ কিশোৰ-কিশোৰীৰ কাৰণে এক অপৰিচিত নাম। হয়তো বহুকেইজন বিজ্ঞান জগতৰ লগত জড়িত ব্যক্তিয়েও তেখেতৰ বিষয়ে জ্ঞাত নহয়। অসমৰ বিজ্ঞান জগতত খলকনি তোলা, অসম বিজ্ঞান সমিতিক বিজ্ঞান জেউতি' ৰদৰে কেৱল বিজ্ঞানৰ আলোচনীৰ জন্ম দিয়াত অনুপ্ৰেৰণা যোগোৱা এই গৰাকী নমস্য অসমী আইৰ সন্তানৰ জন্ম হৈছিল ১৯১০ চনত শদিয়াত। অসমৰ সেইসময়ৰ নামজ্বলা শিক্ষক সমূহৰ এজন কেশৱকান্ত বৰুৱাৰে পুত্ৰ আছিল ৰোহিণীকান্ত। ৰোহিণীকান্তই ১৩ বছৰ বয়সত ভৰি দিয়াৰ সময়তে পিতৃ বিয়োগ ঘটে। পিতৃ বিয়োগ ঘটাত ৰোহিণীকান্ত বৰুৱা তেজপুৰ চৰকাৰী হাইস্কুলৰ পৰা শিৱসাগৰ চৰকাৰী হাইস্কুললৈ যাব লগা হয়। ১৯২৬ চনত শিৱসাগৰ চৰকাৰী হাইস্কুলৰ পৰা মেট্ৰিক পৰীক্ষাত প্ৰথম বিভাগ পাই উত্তীৰ্ণ হয়। ১৯২৮ চনত কটন কলেজৰ পৰা তিনিটা বিষয়ত লেটাৰ মাৰ্কসহ প্ৰথম বিভাগত আই.এছ.ছি পাছ কৰে।

১৯৩০ চনত ৰোহিণীকান্তই কলিকতা বিশ্ববিদ্যালয়ৰ পৰা ৰসায়ন বিজ্ঞানৰ অনাছত উচ্চ স্থান লৈ বি.এছ.ছি পৰীক্ষাত উত্তীৰ্ণ হয়। ১৯৩২ চনত কলিকতা বিশ্ববিদ্যালয়ৰ পৰা জৈৱ ৰসায়নত দ্বিতীয় শ্ৰেণীৰ প্ৰথম স্থান অধিকাৰ কৰি এম.এছ. ছি পৰীক্ষাত উত্তীৰ্ণ হয়। উল্লেখ্যযে সেইবছৰত কলিকতা বিশ্ববিদ্যালয়ৰ পৰা কোনেও প্ৰথম শ্ৰেণী পোৱা নাছিল। এম.এছ.ছি পাছ কৰাৰ পিছৰ বছৰেই ৰোহিণীকান্তই আইনৰ স্নাতক ডিগ্ৰী বি.এল. লাভ কৰিছিল। ১৯৩৩ চনত অসম প্ৰশাসনিক সেৱাৰ পৰীক্ষাত উত্তীৰ্ণ হোৱা সত্ত্বেও ৰাজনৈতিক কাৰণত আৰক্ষীৰ প্ৰতিবেদনত ৰোহিণীকান্তক যোগ্যতা প্ৰদান নকৰাৰ বাবে তেখেতে অতিৰিক্ত সহকাৰী আয়ুক্ত হিচাপে নিযুক্তি লাভ কৰিব নোৱাৰিলে। চৰকাৰী চাকৰিৰ আশা বাদদি ৰোহিণীকান্তই ১৯৩৪ চনত ডিব্ৰুগড় আদালতত স্বাধীনভাৱে ওকালতি আৰম্ভ কৰিলে। অতি কমসময়ৰ ভিতৰতে তেওঁ এজন সুদক্ষ উকিল হিচাপে প্ৰতিষ্ঠা লাভ কৰিবলৈ সক্ষম হৈছিল। ৰোহিণীকান্তৰ ওকালতি জীৱনত আউল লগালে মোমায়েক ডা. ভুবনেশ্বৰ বৰুৱাই। ডা. ভুবনেশ্বৰ বৰুৱাৰ পৰামৰ্শতে ৰোহিণীকান্তই ওকালতি এৰি গুৱাহাটীলৈ আহে আৰু ১৯৩৮ চনত কটন কলেজৰ ৰসায়ন বিজ্ঞান বিভাগত প্ৰবক্তা হিচাপে যোগদান কৰে। ডা. ভুবনেশ্বৰ বৰুৱাই

ৰোহিণীকান্তক শিক্ষাজগতলৈ ননা হলে অসমে এগৰাকী সুদক্ষ আৰু সফল শিক্ষাবিদৰ পৰা বঞ্চিত হ’ ল হয়।।

| কটন কলেজত যোগদান কৰিয়েই তেখেতে কৃতি শিক্ষক হিচাপে নিজকে প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হ ’ ল। আঠতা বছৰ কটন কলেজত শিক্ষকতা কৰাৰ পাছত ৰোহিণীকান্তই বিদেশত উচ্চ শিক্ষা লবলৈ চৰকাৰী জলপানি লাভ কৰে। সেইসূত্ৰেই ১৯৪৬ চনত লিভাৰপুল বিশ্ববিদ্যালয়ত জীৱ ৰসায়ন বিষয়ত গৱেষণা কৰিবলৈ ৰোহিণীকান্ত ইংলেণ্ডলৈ গৈছিল। জীৱ ৰসায়ন বিভাগৰ মুৰব্বী ড° আৰু এ. মৰ্টনৰ তত্ত্বাৱধানত ‘ভিটামিন-এ আৰু মানৱদেহৰ বিপাকীয় প্ৰত্ৰি ৰাসায়নিক আৰু ভৌত ৰাসায়নিক বিক্ৰিয়াৰ ওপৰত ইয়াৰ প্ৰভাৱ’ বিষয়ৰ ওপৰত কৰা গৱেষণাৰ বাবে ১৯৪৮ চনত ডক্টৰেট ডিগ্ৰী লাভ কৰে। ডিগ্ৰী লাভ কৰিয়েই ৰোহিণীকান্ত অসমলৈ উভতি আহে। আহিয়েই তেখেতে ডিব্ৰুগড়ত আৰম্ভ কৰা মেডিকেল কলেজৰ জীৱ ৰসায়ন বিভাগৰ মুৰব্বী অধ্যাপক হিচাপে যোগদান কৰে। ৰোহিণীকান্তই অধ্যাপনা কৰাৰ লগতে অসমৰ স্থানীয় খাদ্য সম্ভাৰসমূহৰ ওপৰত গৱেষণা কৰি বৈজ্ঞানিক ব্যাখ্যা আগবঢ়াবলৈ চেষ্টা কৰিছিল। সেইসময়ত অসমত গৱেষণাৰ বাবে প্ৰয়োজনীয় সা-সুবিধা আৰু পৰিৱেশ দুয়োৰে অভাৱ আছিল। তেনেসময়তো তেখেতে নিজা উদ্যমৰে গৱেষণা কৰি দেশীয় মদৰ পুষ্টিকাৰক গুণ’ ৰ ওপৰত গৱেষণা কৰি ১৯৫২ চনত তথ্য সমূহ প্ৰকাশ কৰিছিল। এই সফলতাই পুনৰ ৰোহিণীৰ পথপদৰ্শক মোমায়েক ডা. ভুবনেশ্বৰ বৰুৱাৰ দৃষ্টি আকৰ্ষণ কৰিছিল। তাৰে ফলস্বৰূপে ডা. ভুবনেশ্বৰ বৰুৱাৰ তৎপৰতাত ডিব্ৰুগড় মেডিকেল কলেজৰ জীৱ-ৰসায়ন বিভাগে গৱেষণাৰ কাৰণে মেনুয়েল স্পেকট্ৰ’ ফটোমিটাৰনামৰ গৱেষণাৰ বাবে সহায়ক হোৱা অত্যাধুনিক সজুলি লাভ কৰিছিল। অসমত ৰোহিণীকান্ত বৰুৱাৰ বাবেই গৱেষণাৰ এক জোৱাৰৰ সৃষ্টি হ’ ল বুলি ক’ লে ভুল কোৱা নহ’ ব। “মানৱ দেহৰ তৰল পদাৰ্থত থকা প্ৰ’ টিনৰ ইলেকট্ৰ’ ফোৰেটিক অধ্যয়ন বিষয়ৰ ওপৰত গৱেষণা কৰি সুখ্যাতি লাভ কৰা প্ৰতুল গোস্বামী, ৰোহিণীকান্ত বৰুৱাৰ প্ৰথম গৱেষক ছাত্ৰ আছিল।

| ৰোহিণীকান্ত বৰুৱা যতে থাকিব তাৰ পৰিৱেশ গতানুগতিক স্থবিৰ ৰূপৰ পৰা আতৰি সৃষ্টিশীল গতিময় পৰিৱেশ গঢ় লৈ উঠে। ১৯৬০ চনত ৰোহিণীকান্তই ডিব্ৰুগড় মেডিকেল কলেজৰ পৰা আহি গুৱাহাটী বিশ্ববিদ্যালয়ৰ ৰসায়ন বিজ্ঞান বিভাগত মুৰব্বী অধ্যাপক হিচাপে যোগদান কৰে। লগে লগে বিভাগটোলৈ আমুল পৰিবৰ্তন আহে। তেখেতে দায়িত্বভাৰ গ্ৰহণ কৰিয়েই বিদেশৰ পৰা গৱেষণাৰ বাবে প্ৰয়োজন হোৱা আধুনিক সজুলি বহু বাধাৰ মাজতো বিদেশৰ পৰা আমদানি কৰিছিল। ৰোহিণীকান্ত বৰুৱাৰ তত্ত্বাৱধানতে গুৱাহাটী বিশ্ববিদ্যালয়ৰ জৈৱ ৰসায়ন বিষয়ত এম.জি.আৰ. নায়াৰ প্ৰথম গৰাকী ডক্টৰেট ডিগ্ৰী লাভ কৰা ব্যক্তি হৈ পৰে। ভিটামিন-এ’ ৰ ওপৰত ৰোহিণীকান্ত বৰুৱাই

কৰা গৱেষণাই তেখেতক বিশ্ব-দৰবাৰত এক বিশেষ আসন প্ৰদান কৰিছিল। যাৰবাবে ইংলেণ্ডৰ লিভাৰপুল বিশ্ববিদ্যালয়ৰ বিজ্ঞানী ড° মনে ৰোহিণীকান্ত বৰুৱাক "ভাৰতৰ জীৱৰসায়নৰ গৱেষণাৰ অগ্ৰণী বিজ্ঞানী" বুলি অভিহিত কৰিছিল।

শান্ত, সৌম্য, ওখ, হৃষ্ট-পুষ্ট চেহেৰাৰ ৰোহিণীকান্ত বৰুৱাৰ মুখত লাগি থকা হাঁহিটোৱে সকলোকে চুম্বকৰ দৰে আকৰ্ষণ কৰিব পাৰিছিল। তেখেতৰ নিয়মানুবৰ্তিতা আৰু সময়ৰ প্ৰতি থকা সজাগতাই সকলোকে আচৰিত কৰি তুলিছিল। বৰুৱাই নিজেও সময় অপব্যয় কৰা নাছিল আৰু আনকো সময় অপব্যয়ৰ পৰিণাম ভয়ংকৰ বুলি উপদেশ দিছিল। এইগৰাকী নমস্য ব্যক্তিক অসমৰ বিজ্ঞান সাহিত্যৰ জনক বুলি কব পাৰি। আৱাহন' , 'অকণ' আলোচনীত বিভিন্ন বিষয়ৰ ওপৰত প্ৰবন্ধ, গল্প, কবিতা লিখিছিল। তেখেতে আৱাহন আলোচনীত 'লাজুকুৰীয়া' ছদ্ম নামেৰে লিখা লিখনিবোৰ আজিও সমানে জনপ্ৰিয়। ১৯৩২ চনত তেওঁ লিখা 'বিজ্ঞানৰ সাধু' নামৰ কিতাপখনৰ বাবে অসম সাহিত্য সভাৰ বিশেষ বটা লাভ কৰিবলৈ সক্ষম হৈছিল। তাৰো আগতে তেখেতে ১৯৩০ চনত ড°সৰ্বপল্লী ৰাধাকৃষ্ণণে পঞ্জাৱ বিশ্ববিদ্যালয়ত প্ৰদান কৰা দীক্ষিত ভাষণক অসমীয়ালৈ অনুবাদ কৰি জাতীয়তাৰ স্বৰূপ' নামেৰে আবাহন' আলোচনীত প্ৰকাশ কৰিছিল। তেখতৰ দ্বাৰা ৰচিত 'পৰিপুষ্টি বিজ্ঞান' নামৰ তত্ত্বগধুৰ গ্ৰন্থখন ১৯৫৮ চনত প্ৰকাশিত হয়। একেবাৰে খাটি অসমীয়া ঘৰুৱা ভাষাত হলেণ্ডৰ নিকে ভান হিষ্ঠুৰাৰ আকেছ চেন' উপন্যাসখন অনুবাদ কৰি 'পমিলীৰ পৰিয়াল' নামেৰে প্ৰকাশ কৰা কিতাপখন নপঢ়া সকলক পঢ়িবলৈ কোৱাৰ বাহিৰে তাৰ সোৱাদ বুজোৱাতো কঠিন হ' ব। ঠিকসেইদৰে তেখেতে নুট হামছুনৰ হাংগাৰ' উপন্যাসৰ খন অসমীয়ালৈ অনুবাদ কৰি নাম ৰাখিছে 'পৰম ক্ষুধা। অসম বিজ্ঞান সমিতিৰ আলোচনী বিজ্ঞান জেউতি' ৰ জন্মৰ আঁৰৰ মানুহজনে বহুকেইটা মুল্যবান প্ৰবন্ধ লিখি আলোচনীখনক আৰম্ভণিতে এক সুকীয়া মৰ্যদা প্ৰদান কৰিবলৈ সক্ষম হৈছিল। ড° ৰোহিণীকান্ত বৰুৱাই টকাতকৈ নিজৰ বিবেকৰ স্বাধীনতাক অধিক গুৰুত্ব দিছিল। সেইবাবে তেখেতৰ প্ৰিয় ছাত্ৰ ড° অৰুণ ভূষণ বৰুৱাই যেতিয়া অইল ইণ্ডিয়া কোম্পানীৰ চাকৰিত আবেদন নকৰাৰ সিদ্ধান্ত লৈছিল। ৰোহিণীকান্ত বৰুৱাক অৰুণ ভূষণ বৰুৱাৰ দৰে ছাত্ৰৰ মানসিকতাই অতিকৈ আহ্লাদিত কৰিছিল। তেখেতে ড° অৰুণ ভূষণ বৰুৱাক কৈছিল, "অইল কোম্পানীত তুমি টকা, বঙলা, গাড়ী সকলো পাবা, কিন্তু তোমাৰ বিবেকৰ স্বাধীনতা বোলা কোনো কথা নাথাকিব। তোমাৰ কোম্পানীৰ মুৰব্বীয়ে যি ভাবে তুমিয়ো ভাবিব লাগিব। তুমি চাকৰিটো নকৰাৰ সিদ্ধান্ত লৈ ভালেই কৰিলা বুজিছা···।" এইজনেইহ' ল অসমৰ স্বাধীনচিতীয়া বিজ্ঞানী ড° ৰোহিণীকান্তবৰুৱা। যাৰ অকাল বিয়োগ নোহোৱা হ' লে গুৱাহাটী বিশ্ববিদ্যালয়ৰ লগতে অসমৰ শিক্ষা-ব্যৱস্থা অন্য ৰাজ্যতকৈ আৰু আগবঢ়া হ' ল হয়। সেইসময়তে তেখেতে প্ৰাক-প্ৰাথমিক স্তৰৰ

পৰা বিশ্ববিদ্যালয় পৰ্যায়লৈ ব্যৱহাৰিক শিক্ষাৰ ওপৰত গুৰুত্ব আৰোপ কৰি ডিব্ৰুগড় মেডিকেল কলেজত থকা সময়ত ৬ বছৰৰ তলৰ শিশুৰ কাৰণে প্ৰাক প্ৰাথমিক বিদ্যালয় খুলিছিল। ডঃ ৰোহিণীকান্ত বৰুৱাৰ ভাষ্যমতে, "শিশুসকলক খেলা-ধূলাৰ মাধ্যমৰে শিকালেহে শিক্ষাদান বেছি ফলপ্ৰসু হয়।" ১৯৬১ চনত অসম বিজ্ঞান সমিতিৰ উপসভাপতি, ১৯৫৫ চনত অসম সাহিত্য সভাৰ গুৱাহাটী অধিৱেশনত বিজ্ঞান

পতিৰ পদ অলংকৃত কৰা ডঃ ৰোহিণীকান্ত বৰুৱাৰ মৃত্যু ১৯৬৮ চনৰ ৭ জুলাইত কলিকতা বিমান বন্দৰত হৃদযন্ত্ৰৰ ক্ৰিয়া বন্ধ হোৱাৰ ফলত হয়। মাত্ৰ ৫৮ বছৰ জীয়াই থকা এইগৰাকী ব্যক্তিক অসমবাসীয়ে আৰু কেইবছৰমান পোৱা হ' লে অসমৰ শিক্ষাৰজগতৰ বৰ্তমানৰ আসোঁহবোৰৰ সৃষ্টি নহল হয়।

(সহায়ক পুথি: ৰসায়নৰ পঞ্চৰত্ন, ক্ষীৰধৰ বৰুৱা)